

জানি থোৱা ভাল

ভাৰতীয় সংবিধানৰ ৫০নং অধ্যায়ত থকা ৰাষ্ট্রনীতিয়ে নির্দেশ দিয়ে যে ৰাষ্ট্রই ন্যায়পালিকাক কার্যপালিকাৰ পৰা পৃথক কৰি ৰখা উচিত। ভাৰতৰ বহুতো ৰাজ্যই ইতিমধ্যে এই কাম কৰিছে। এই ৰাজ্যবোৰত জিলা উপায়ুক্তৰ পৰা ন্যায়িক ক্ষমতাক পৃথক কৰা হৈছে আৰু তাক অর্পণ কৰা হৈছে এক নতুন শ্রেণীৰ বিষয়াৰ হাতত যাক কোৱা হয় ন্যায়িক হাকিম বুলি।

এইবোৰ ক্ষেত্রত জিলা উপায়ুক্তই কেৱল আইনৰ লগত সম্পর্ক নথকা কার্যহে কৰিব পাৰে, যেনে— মোকর্দমাৰ নিয়ন্ত্রণ, আৰক্ষীৰ ওপৰত নিয়ন্ত্রণ, প্রতিৰোধ-মূলক গ্রেপ্তাৰ, কাৰাগাৰ পৰিদর্শন আদি।

১৩.৩.৩ জিলা উপায়ুক্তৰ ভূমিকা আৰু পদমর্যাদা

জিলা উপায়ুক্ত জিলা প্রশাসনৰ প্রত্যেকটো কার্যৰে কেন্দ্রবিন্দু। যদিও এতিয়া জিলা উপায়ুক্তই দৰবাৰত নবহে, উপাধি প্রদান নকৰে, আৰু বৃটিছ যুগৰ আড়ম্বৰপূর্ণ স্থান উপভোগ নকৰে, জিলাত তেওঁৰ কর্তৃত্বক অৱমূল্যায়ণ কৰিব নোৱাৰি। এতিয়াও তেওঁ জিলাত ৰাজ্য চৰকাৰৰ প্রতিনিধিত্ব কৰে। তেওঁ চৰকাৰ আৰু জিলাৰ জনসাধাৰণৰ মাজত সেঁতু হিচাপে কাম কৰে।

স্বাধীনতাৰ পূর্বোত্তৰ কালত জিলা উপায়ুক্ত জিলাৰ প্রকৃত শাসক আছিল। প্রশাসনীয় শ্রেণীবিভাজনত তেওঁৰ স্থান গৱর্ণৰ জেনেৰেল, গৱর্ণৰ আৰু ডিভিজনেল কমিছনাৰৰ তলতে আছিল। তেওঁৰ বহুল কর্তৃত্ব আছিল আৰু জীৱনৰ প্রতিটো খোজতেই জনসাধাৰণে তেওঁৰ উপস্থিতি অনুভৱ কৰিছিল। জনসাধাৰণে তেওঁক তেওঁলোকৰ ৰক্ষাকর্তা জ্ঞান কৰিছিল, যিহেতু আন বিষয়াসকল তেওঁলোকে ঢুকি পাব পৰা সীমাৰ বাহিৰত আছিল। তথাপিও জিলা উপায়ুক্ত আৰু জনসাধাৰণৰ মাজত এক দূৰত্ব আছিল। তেওঁ এজন শাসক হিচাপে তেওঁৰ দায়িত্ব পালন কৰিছিল। অৱশ্যে দেশে স্বাধীনতা লাভ কৰাৰ পাছত জিলা উপায়ুক্তৰ মর্যাদাৰ প্রভূত পৰিৱর্তন হৈছে। বর্তমান তেওঁ এজন শাসকৰ পৰিৱর্তেচ্ছু জনতাৰ সেৱক। যিহেতু ভাৰতবর্ষ এখন সংসদীয় চৰকাৰৰ দ্বাৰা পৰিচালিত গণতান্ত্রিক দেশ, সেয়েহে জিলা উপায়ুক্তৰ ভূমিকাও ইয়াত পৰিৱর্তিত হৈছে। জিলা উপায়ুক্ত বিদেশী শাসনৰ প্রতিনিধিৰ ভূমিকাৰ পৰিৱর্তে জনতাৰ দ্বাৰা নির্বাচিত চৰকাৰৰ হাতৰ এক সঁজুলিলৈ ৰূপান্তৰিত হৈছে, যাৰ উদ্দেশ্য হ'ল জনতাৰ সেৱা।

কল্যাণকামী দেশৰ ধাৰণাৰ সৃষ্টিৰ লগতে জিলা উপায়ুক্ত অন্যান্য ৰাজনৈতিক আৰু স্থায়ী কর্মকর্তাৰ দৰে জিলাৰ জনসাধাৰণৰ কল্যাণৰ তত্ত্বাৱধায়ক হৈ পৰিছে। জিলা উপায়ুক্তই জিলা এখনৰ লোকসকলৰ সমস্যাসমূহ সমাধান কৰিব লাগে। তেওঁ

'জনসাধাৰণৰ চৰকাৰ'ৰ এক অংশ হৈ পৰিছে। জিলা উপায়ুক্ত এতিয়া আৰু শোষণৰ আহিলা নহয় আৰু বৃটিছৰ দিনৰ দৰে জনসাধাৰণে তেওঁক কেৱল ভয়ৰ বাবে মানি নচলে। বৰঞ্চ জনসাধাৰণে তেওঁক নিজৰ অভাৱ-অভিযোগ দৰ্শাবৰ বাবে অতি সহজতে লগ পাব পাৰে। তেওঁ জনসাধাৰণৰ সৈতে বন্ধু-ভাৱাপন্ন হ'ব লাগে। জনতাৰ স্বাৰ্থ ৰক্ষা আৰু স্বাৰ্থবৰ্ধিত কৰাৰ বাবে জিলা উপায়ুক্তই তেওঁৰ ক্ষমতা প্ৰয়োগ কৰিব লাগে। জনসাধাৰণে তেওঁ সমাজৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ উদ্দেশ্যে সেৱা আগবঢ়োৱাটো আশা কৰে। সেয়েহে তেওঁ জনসাধাৰণৰ আশা বাস্তৱত পৰিণত কৰিবলৈ চেষ্টা কৰিব লাগে।



জানি থোৱা ভাল

জিলা উপায়ুক্ত সাধাৰণতে ভাৰতীয় প্ৰশাসনিক সেৱাৰ সদস্য হয়। জিলা উপায়ুক্তৰ পদবী সেইসকল বিষয়ায়ো অধিকাৰ কৰে যিসকল সাধাৰণতে ৰাজ্যিক অসামৰিক সেৱাত নিযুক্ত হয় আৰু ক্ৰমান্বয়ে ভাৰতীয় প্ৰশাসনিক সেৱালৈ উন্নীত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ জিলাৰ মুখ্য কাৰ্যপালিকা হিচাপে জিলা উপায়ুক্তৰ কিছুমান কাৰ্য সম্পৰ্কে আলোচনা কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ২ঃ জিলা হাকিম হিচাপে জিলা উপায়ুক্তৰ কিছুমান কাৰ্য সম্পৰ্কে আলোচনা কৰক।

.....

.....

.....

প্ৰশ্ন নং ৩ঃ স্বাধীনতাৰ পৰৱৰ্তী কালত জিলা উপায়ুক্তৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

.....

.....

.....



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৰ্তমানৰ জিলা উপায়ুক্ত (District Collector) ৰ কার্যালয় হ'ল বৃটিছ চৰকাৰৰ সৃষ্টি। ১৭৭২ চনৰ পৰা এই কার্যালয় সক্রিয় হৈ আছে। সেই বছৰৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে দেশৰ ৰাজহ প্রশাসনৰ সমস্ত দায়িত্ব নিজৰ হাতলৈ নি 'ৰাজহ সংগ্রাহক' (Collector of Revenue)ৰ কার্যালয় স্থাপন কৰি বিষয়া নিযুক্তি দিছিল।
- ৰাৱেন হেষ্টিংচে ১৭৭২ চনতেই জিলা উপায়ুক্তৰ কার্যালয় স্থাপন কৰি ইয়াৰ মুৰব্বী বিষয়াগৰাকীক জিলা প্রশাসনৰো মুৰব্বী পাতিছিল।
- এসময়ত জিলা উপায়ুক্তগৰাকী জিলা প্রশাসনৰ মাধ্যমণি হৈ পৰিছিল। তেওঁ জিলাৰ সর্বত্র ৰাজ্য চৰকাৰৰ প্রতিনিধিৰূপেসেৱা আগবঢ়াইছিল।
- বৃটিছ শাসনকালত জিলাউপায়ুক্তৰ কার্যালয়ে একাধিক দায়িত্ব পালন কৰিছিল। ৰাজহ সংগ্রাহৰূপে জিলা উপায়ুক্তগৰাকীয়ে ৰাজহ সংগঠনবোৰৰ মুৰব্বীৰ ভূমিকালৈছিল। তেওঁ স্থাবৰ সম্পত্তি (holdings)ৰ পঞ্জীয়ন, সাল-সলনি আৰু বিভাজনৰ কামবোৰ চোৱাচিতা কৰিছিল। ইয়াৰ উপৰি তেওঁ বিবাদ নিষ্পত্তি, ঋণগ্রস্ত ভূ-সম্পত্তিবোৰৰ চোৱাচিতা,খেতিয়কক ঋণ প্রদান আৰু দুর্ভিক্ষ সাহায্য আদি দিশো তদাৰক কৰিছিল।
- ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছতো জিলাসমূহ প্রশাসনৰ কেন্দ্রবিন্দু হৈ থাকিল। কিন্তু জিলা জিলা উপায়ুক্তৰ পৰম্পৰাগত ভূমিকাটোৰ ৰূপান্তৰ ঘটোৱাহ'ল। সমাহর্তাৰ হাতত ন্যস্ত থকা ন্যায়িক ক্ষমতা জিলা ন্যায়িক দণ্ডাধীশৰ কার্যালয়লৈ লাহে লাহে স্থানান্তৰ কৰা হয়।
- জিলা উপায়ুক্ত কেৱল ৰাজহ সংগ্রহকাৰী আৰু জিলাৰ শান্তি শৃংখলা বর্তাই ৰখা কর্তৃপক্ষ হৈ নাথাকিল। সমাহর্তাক জিলাবোৰৰ উন্নয়ন প্রশাসনৰো মুৰব্বীৰ বাব দিয়া হ'ল।
- ১৯৫২ চনত নেহৰু চৰকাৰে ৰাষ্ট্রীয় সম্প্রসাৰণ সেৱা আৰু সামূহিক উন্নয়ন কার্যসূচীৰ পাতনি মেলিছিল। ইয়াৰ লগে লগে জিলা জিলা উপায়ুক্তৰ কার্যালয়ক ভাৰত চৰকাৰৰ সকলোবোৰ উন্নয়নমূলক কার্যসূচী ৰূপায়ণৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছিল।
- আজি জিলা জিলা উপায়ুক্তৰ কার্যালয় হ'ল জিলাবোৰৰ সবাতোকৈ ক্ষমতাশালী কার্যসম্পাদনকাৰী কর্তৃপক্ষ। একোখন জিলাত থকা আনবোৰ ৰাজহুৱা কার্যসম্পাদনকাৰী বিভাগে জিলা সমাহর্তাৰ কার্যালয়ৰ পৰা দিক্‌নির্দেশনা আৰু নির্দেশনা লাভ কৰে।
- জিলা পর্যায়ত জিলা উপায়ুক্ত হৈছে চৰকাৰৰ সর্বোচ্চ কর্তৃপক্ষ। তেওঁৰ প্রধান দায়িত্ব হৈছে জিলাৰ আইন শৃংখলা ৰক্ষা কৰা, যি হ'ল শান্তিপূর্ণ আৰু শৃংখলাৰদ্ধ জীৱন-যাপনৰ মূল। তেওঁৰ দ্বিতীয় গুৰুত্বপূর্ণ দায়িত্ব হ'ল মাটিৰ ৰাজহ আৰু অন্যান্য উৎসৰ

পৰা অহা ৰাজহ সংগ্রহ কৰা। তেওঁৰ তৃতীয় গুৰুত্বপূর্ণ দায়িত্ব হ'ল উন্নয়নমূলক পৰিকল্পনাসমূহ পৰিচালনা কৰা আৰু কার্যকৰী কৰা। চতুর্থতে তেওঁ নাগৰিক আৰু প্রশাসনৰ মাজত সেঁতু হিচাপে কাম কৰে।



১৩.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ ২০০৬ । *লোক প্রশাসন পৰিচয়* । ডিব্রুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র ২০০৭। *স্নাতক মহলাৰ লোক প্রশাসন*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

৩) হাজৰিকা,ড° নিৰু ২০০৯। *স্নাতক লোক প্রশাসন* । গুৱাহাটী ঃ ষ্টুডেণ্ট্চ ষ্টোৰচ।

ইংৰাজী গ্রন্থ ঃ

1) *Avasthi, Amreswar, & Avasthi, Anand Prakash (1999).*Indian Administration. *Agra:Lakshmi Narain Agarwal.*

2) *Bhagwan, Vishnoo, & Bhushan, Vidya.(2007).* Public Administration. *New Delhi:S.Chand & Company Ltd.*

3) *Maheshwari, S.R. (2003).* Indian Administration.*New Delhi:Orient Longman.*

4) *Sharma, Dr.M.P. , & Sadana, Dr.B.L. (2000).* Public Administration in Theory and Practice. *Allahabad: Kitab Mahal.*



১৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ জিলাৰ মুখ্য কার্যপালিকা হিচাপে জিলা উপায়ুক্ত তলত দিয়া কার্যসম্পন্ন কৰাৰ বাবে দায়বদ্ধ।

ক) জিলাৰ ভিতৰত জিলাৰ উচ্চপদস্থ বিষয়াসকলৰ নিয়োগ, বদলি আৰু ছুটি।

খ) জিলাৰ কর্মচাৰীসকলৰ পেন্সনৰ বিষয় চোৱা।

গ) জিলাৰ কর্মচাৰীসকলৰ নিয়ন্ত্রণ, আহ্বান আৰু বিতৰণ।

ঘ) বছৰেকীয়া বাজেট দাখিল কৰা।

ঙ) তেওঁ কোষাগাৰৰ ভাৰপ্রাপ্ত বিষয়া, জিলা মোহৰ বিষয়া আৰু লগতে তেওঁ চৰকাৰৰ ধনভঁৰালীৰ সুৰক্ষা ব্যৱস্থাৰ কার্যকাৰিতা বিচাৰৰ বাবে দায়বদ্ধ।